অধ্যায় ১৪ ঃ হৰেকৃষ্ণ ডেকা ঃ 'শ্ব'ৰেঙ্গাৰ'

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ হৰেকৃষ্ণ ডেকা ঃ জীৱন আৰু কৃতি
১৪.৩.১ হৰেকৃষ্ণ ডেকাৰ গল্পৰ প্ৰধান বৈশিষ্ট্যসমূহ
১৪.৪ 'শ্ব'ৰেঙ্গাৰ'
১৪.৪.১ গল্পটোৰ কাহিনীভাগ
১৪.৪.২ গল্পটোৰ চৰিত্ৰসমূহ
১৪.৪.৩ গল্পটোৰ সাধাৰণ আলোচনা
১৪.৪.৪ গল্পটোৰ বিশেষত্ব
১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৬ অধিক জানিবলৈ
১৪.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- গল্পকাৰ হৰেকৃষ্ণ ডেকাৰ পৰিচয় লাভ কৰিব
- হৰেকৃষ্ণ ডেকাৰ সাহিত্য কৃতিৰ লগত পৰিচিত হ'ব
- হৰেকৃষ্ণ ডেকাৰ গল্পৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- 'শ্ব'ৰেঙ্গাৰ' গল্পটোৰ কাহিনীভাগৰ আভাস লাভ কৰিব
- 'শ্ব'ৰেঙ্গাৰ' গল্পৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰিব পাৰিব
- গল্পটোৰ বিশেষত্ব ব্যাখ্যা কৰিব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া চতুৰ্থ ষাণ্মাসিকৰ অন্তৰ্গত প্ৰথম বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া চুটিগল্প'ৰ এইটো চতুৰ্দশ অধ্যায়। ইয়াৰ শীৰ্ষক 'হৰেকৃষ্ণ ডেকা ঃ শ্ব'ৰেঙ্গাৰ'। সাম্প্ৰতিক যুগত এইগৰাকী গল্পকাৰে বৰ্তমানৰ নানান ঘটনাক আধুনিক সাহিত্য শৈলীৰ যুগেদি বিশ্লেষণ কৰাত অতিকৈ দক্ষতা প্ৰদৰ্শন কৰে। তেওঁৰ সকলোবোৰ গল্পতে বাস্তৱক সূক্ষ্মাতিসূক্ষ্মভাৱে উপস্থাপন কৰি আহিছে। এই অধ্যায়টোত 'শ্ব'ৰেঙ্গাৰ' গল্পটোৰ বিষয়ে আলোচনা কৰা হ'ব।

হৰেকৃষ্ণ ডেকাৰ একেবাৰে শেহতীয়া ৰচনা 'শ্ব'ৰেঙ্গাৰ' এটা অতি সাৰ্থক গল্প। আজিৰ

পৰা কেইবাটাও দশক আগবাঢ়ি গৈ গল্পৰ কাহিনীভাগ নির্মাণ কৰা হৈছে। 2059 চনত কেইগৰাকীমান অভিধান সংশোধনকাৰী গৱেষকৰ মাজত এটা শব্দক কেন্দ্র কৰি হোৱা আলম লৈ গল্পৰ কাহিনীয়ে গতি কৰিছে যেন লাগিলেও আনুষঙ্গিক বহু গুৰুত্বপূর্ণ দিশৰ উন্মোচন হৈছে।

১৪.৩ হৰেকৃষ্ণ ডেকা ঃ জীৱন আৰু কৃতি

1943 চনত তিনিচুকীয়া চহৰত জন্মগ্রহণ কৰা কবি, গল্পকাৰ, সমালোচক হৰেকৃষ্ণ ডেকাই প্রাথমিক আৰু হাইস্কুলীয়া শিক্ষা তিনিচুকীয়াতে সম্পন্ন কৰিছিল। 1959 চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা সুখ্যাতিৰে উত্তীর্ণ হৈ তেওঁ ঐতিহাসিক কটন মহাবিদ্যালয় (বর্তমানৰ কটন বিশ্ববিদ্যালয়)ৰ পৰা স্নাতক ডিগ্রী লাভ কৰি স্নাতকোত্তৰ ডিগ্রীৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ত নামভর্তি কৰে আৰু 1965 চনত ইংৰাজী বিভাগৰ পৰা তেওঁ স্নাতকোত্তৰ ডিগ্রীও লাভ কৰে।

শিক্ষা জীৱনৰ আনুষ্ঠানিক সামৰণিৰ পাছত তেওঁ প্রবক্তা হিচাপে কর্মজীৱনৰ পাতনি মেলে। 1965ৰ মাজভাগৰ পৰাই গুৱাহাটীস্থিত 'গুৱাহাটী কমার্চ কলেজ'ত 1968 চনমানলৈ শিক্ষাদান কৰে যদিও পৰৱর্তী সময়ত কর্মজীৱনৰ গতি সলনি কৰি 'ভাৰতীয় আৰক্ষী সেৱা'ত নিজকে নিয়োগ কৰে। 1968 চনৰ পৰা আৰম্ভ কৰি 2005 চনলৈকে সুদীর্ঘ কাল এটা বিভাগতে সেৱা আগবঢ়াই আৰক্ষী সঞ্চালক প্রধান পদৰ পৰা অৱসৰ গ্রহণ কৰে। চাকৰি জীৱনৰ পৰা অৱসৰ ল'লেও বিভিন্ন ৰাষ্ট্রীয় নিৰাপত্তা সেৱাৰ লগত নিজকে সম্পৃক্ত কৰি স্বদেশ, স্বজাতিৰ সুৰক্ষা প্রদান কৰি আহিছে। তেওঁ 'The Sentinel'ৰ দৰে ৰাষ্ট্রীয় পর্যায়ৰ এখন দৈনিক বাতৰি কাকতৰ সম্পাদকৰ দৰে গুৰুদায়িত্ব বহন কৰিছিল। লগতে অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ মুকুতাৰ দৰে জিলিকি থকা ঐতিহাসিক মানসমৃদ্ধ মাহেকীয়া আলোচনী *গৰীয়সী*ৰো 2009 চনলৈকে মুখ্য সম্পাদকৰ দায়িত্ব সুখ্যাতিৰে পালন কৰিছিল।

যদিও তেওঁ কবি হিচাপে চিৰসমাদৃত, তথাপি গল্পকাৰ হিচাপেও তেওঁৰ প্রতিভা অসীম। কবিতা, গল্প, সমালোচনা সাহিত্যৰ সকলো দিশলৈ তেওঁ অৱদান আগবঢ়াই আহিছে। এইগৰাকী কবিক তেওঁৰ 1986 চনত ৰচিত *আন এজন* নামৰ কবিতা পুথিৰ বাবে 1987 চনত 'সাহিত্য অকাডেমী বঁটা' প্রদান কৰা হয়। *আন এজন* নামৰ কবিতা পুথিখনি বঙলা আৰু উড়িয়া দুয়োটা ভাষালৈ অনূদিত হৈছে। 'সাহিত্য অকাডেমী বঁটা'ৰ উপৰিও 'কথা বঁটা' [1996], 'অসম উপত্যকা সাহিত্য বঁটা' [2010], আৰু 'পদ্মনাথ বিদ্যাবিনোদ সাহিত্য বঁটা' [2015] ইত্যাদি বহুকেইটা সন্মান প্রদান কৰা হয়।

কবি হিচাপে সাহিত্য জীৱনৰ শুভাৰম্ভ কৰা এইগৰাকী সৃষ্টিশীল প্রতিভাই এতিয়াকৈ কবিতা পুথি, চুটিগল্প পুথি, উপন্যাস, অনুবাদ সাহিত্য, সম্পাদিত সাহিত্য পুথি, সমালোচনামূলককে আদি কৰি বহু পুথি ৰচনা কৰি আহিছে। *স্ববোৰ* [1972], *ৰাতিৰ শোভাযাত্রা* [1978], *আন এজন* [1986], *কবিতা-1960–1980* [2000], *ভালপোৱাৰবাৰে এযাৰ* [2003], *সানমিহলিৰ বর্ণমালা* [2010], *Sea-Scars* [2001], *সময় শব্দ জীৱন আৰু অন্যান্য* [2014] আৰু *অন্য সেতুবন্ধ* [2015] আদিবোৰ তেওঁৰ সুন্দৰ কবিতা সঙ্কলন।

প্ৰাকৃতিক আৰু অন্যান্য [1945], *মধুসূদনৰ দলং* [1992], *বন্দিয়াৰ* [1996], *প'ষ্ট-মডার্ণ অথবা গল্প* [2001], *মৃত্যুদণ্ড* [2006] আৰু *গল্প আৰু কল্প* [2009] ইত্যাদি ৰচনা কৰা উল্লেখযোগ্য চুটিগল্পৰ পুথি। এইগৰাকী কবি তথা গল্পকাৰে 2008 চনত *আগন্তুক* আৰু 2013 চনত *যাত্রা ঃ এখন অসম্পূর্ণ উপন্যাসৰ বাৰটা অধ্যায়* নামেৰে দুখন মনোজ্ঞ উপন্যাসৰো ৰচনা কৰিছে।

সাহিত্যৰ সমালোচনাৰ দিশলৈ গুৰু অৱদান আগবঢ়োৱা ডেকা এগৰাকী দক্ষ তথা দায়িত্বশীল লিখক। *আধুনিকতাবাদ আৰু অন্যান্য প্রবন্ধ* [1998], *বীক্চন আৰু সন্ধান* (Beekson aru Xandhan) [2000], *দৃষ্টি আৰু সৃষ্টি* [2006], *নীলমণি ফুকন কবি আৰু কবিতা* [2010], *আধুনিক কবিতা ঃ অসমীয়া আধুনিক কবিতাৰ সুদীর্ঘ বিষয়েৰে* [2013] ইত্যাদি তেওঁৰ সমালোচনামূলক পুথি। ইয়াৰ উপৰি *প্রব্রজন আৰু অনুপ্রৱেশ* [2010], *সার্বভৌমত্ব, সমাজবাদ আৰু নাগৰিক সমাজ* [2010] দুয়োখন অসমৰ সামাজিক তথা ৰাজনৈতিক প্রেক্ষাপটৰ মাইলৰ খুঁটি।

উপৰোক্ত বহুমূলীয়া গ্রন্থৰাজিৰ উপৰিও তেওঁ 2005 চনত কেইবাজনো প্রতিভাসম্পন্ন কবিৰ কবিতাক সাঙুৰি *নতুন প্রজন্মৰ কবিতা* নাম দি এখন পুথি সম্পাদনা কৰে। সুদীর্ঘকাল সাহিত্য ৰচনাত ব্রতী এইগৰাকী সাহিত্যিকে আজিও সাহিত্যৰ পথাৰত নিৰৱচ্ছিন্নভাৱে কঠীয়া সিঁচিয়েই আছে।



অগ্রগতি নিৰীক্ষণ

১ নং প্রশ্ন ঃ হৰেকৃষ্ণ ডেকাৰ জীৱন আৰু কৃতিৰ বিষয়ে চমুকৈ লিখক। (150 টা শব্দৰ ভিতৰত

১৪.৩.১ হৰেকৃষ্ণ ডেকাৰ গল্পৰ প্রধান বৈশিষ্ট্যসমূহ

কবি হিচাপে চিৰপৰিচিত হৰেকৃষ্ণ ডেকাই *সংজ্ঞাৰ* পাতত গল্পকাৰ হিচাপে বিদ্বৎ সমাজৰ মাজত আত্মপ্রতিষ্ঠা কৰিছিল। গল্পৰ জগতত প্রৱেশ কৰা এইগৰাকী প্রতিভাৱান লেখকৰ গভীৰ পৰীক্ষা-নিৰীক্ষাৰ ফচল হিচাপে অসমীয়া সাহিত্যই লাভ কৰিছে বহুবোৰ অমূল্য গল্প। বিংশ শতিকাৰ সত্তৰৰ দশকত গল্পকাৰ হিচাপে প্রতিষ্ঠা লাভ কৰা ডেকাই তেওঁৰ অনুসন্ধানী মনৰ নিখুঁত বিশ্লেষণক অব্যাহত দিয়া নাই আৰু বহু সময়ত দেখা যায় যে তেওঁৰ গল্পত কাব্যিক দৃশ্যময়তা আৰু ঘনত্বই অধিক প্রসাৰতাহে লাভ কৰিছে।

তেওঁৰ ভালেমান গল্পত প্রতিষ্ঠিত আৰু পৰীক্ষিত বিভিন্ন চেতনাস্রোতৰ ঘন ছাঁ আছে। ইয়াৰ উপৰি অস্তিত্ববাদী দর্শনেও কোনো গল্পত গভীৰ ৰেখাপাত কৰিছে। ইংৰাজী শিক্ষাৰে শিক্ষিত গল্পকাৰৰ গল্পত পাশ্চাত্য সাহিত্যৰ পুৰোধা ব্যক্তিসকলৰ কিছু আধুনিক শৈলীয়েও ঠায়ে ঠায়ে ভুমুকিয়াইছে বুলিলে ভুল কোৱা নহ'ব। তেওঁৰ

গল্পত নিঃসঙ্কোচ নৈৰাশ্য আৰু পৰিস্থিতিৰ ভৰত গঢ় লোৱা উদ্ভট চিন্তাৰ উন্মেষ ঘটোৱাৰ লগতে তেওঁৰ ব্যক্তিত্বৰ বাবেই হওক বা কৰ্মময় জীৱনৰ সুদীৰ্ঘকালীন অভিজ্ঞতাৰ বাবেই হওক, মুঠতে গল্পৰ অপৰাধতত্ত্ব আৰু তৎজনিত সন্ধিগ্ধতা মন কৰিবলগীয়া। তথাপি তেওঁৰ এনে ধৰণৰ গল্পবোৰে অপৰাধৰ আতঙ্কময় পৰিৱেশলৈ গতি কৰাৰ বিপৰীতে প্ৰেক্ষাপট আৰু কালৰ সন্ধিক্ষণত উদ্ভুত পৰিহাসক মূৰ্ত কৰি তোলে।

হৰেকৃষ্ণ ডেকাৰ গল্পৰ প্ৰধান উপজীব্য হ'ল সাম্প্ৰতিকতা; সেয়েহে তেওঁৰ প্ৰায়বোৰ গল্পত আধুনিক সময়ৰ মানুহৰ জীৱন-গতি, নানান চাৰিত্ৰিক দিশৰ লগতে পৰিৱেশৰ লগত সম্পৰ্ক আৰু ইবোৰৰ প্ৰকৃত সত্যৰ অন্বেষণৰ চেষ্টা। গল্পকাৰৰ এনে চিন্তা শক্তিয়ে পাঠকক অধিক সজাগ কৰে; বিশেষকৈ তেওঁৰ গল্পৰ মাজত গল্প কোৱা কৌশলৰ অভিনৱত্বৰ বাবেই হওক নতুবা ইচ্ছাকৃতভাৱেই হওক তেনে পৰিৱেশ গঢ়ি তোলে। গভীৰ জ্ঞানসঞ্চাৰী লেখকেহে গল্পৰ মাজত এনে পৰিৱেশ পৰিস্থিতি গঢ়ি তুলিব পাৰে; এই দিশত ডেকা অদ্বিতীয়।

তেওঁৰ এটা সুন্দৰ গল্প 'ক্লীৱ'ত এক দাৰ্শনিক চিন্তাৰ সমাৱেশ ঘটা বুলিব পাৰি। চাৰিত্ৰিক দিশত স্খলন হোৱা এটা চৰিত্ৰক নায়ক হিচাপে অঙ্কন কৰা হৈছে, যাৰ জুৱা খেলৰ দৰে মাৰাত্মক অভ্যাসৰ বাবে নিজৰ পত্নী, পুৰুষত্ব ইত্যাদি হেৰুৱাই শেষত নিজৰ জীৱনকো হেৰুৱাইছে। এই নায়কেই এগৰাকী বন্দী তিৰোতাক অধিক কষ্ট আৰু কৌশলেৰে উদ্ধাৰ কৰিছে। তথাকথিত সভ্য সমাজখনে তেওঁৰ ত্যাগৰ মূল্য স্বীকাৰ কৰিব খোজা নাই। সৰ্বস্ব হেৰুৱা চৰিত্ৰটোৱে সমাজৰ পৰা সাধাৰণ ৰক্ষণাবেক্ষণ তথা সহানুভূতি একোৱেই নাপালে। বিপথে পৰিচালিত হ'লেও ব্যক্তি এজনৰ প্ৰতি সমাজৰ নিম্নতম হ'লেও দায়ৱদ্ধতা থাকে। সেই কথাটো যেন গল্পকাৰে সচেতন পাঠকৰ যোগেদি সমাজক জনাব বিচাৰিছে। এইখিনিতে গল্পটোৰ নামকৰণৰ তাৎপৰ্যও মন কৰিবলগীয়া। গল্পকাৰ গৰাকী নিজকে আধুনিক বোলা এই সমাজৰ এনে কেতবোৰ দিশ অতি বাস্তৱ ৰূপত উপস্থাপন কৰাত সমৰ্থ হৈছে।

ডেকাৰ গল্পক দুই ধৰণে চাব পাৰি। ওপৰে ওপৰে পঢ়ি গ'লে এটা সাধাৰণ অৰ্থ প্ৰতিভাত হয় আৰু গল্পবোৰৰ গূঢ়াৰ্থ কিন্তু সুকীয়াকৈ থাকে। সহজ-সৰল যেন লগা কাহিনীবোৰৰ মাজতেই সমাজৰ গভীৰ সমস্যাবোৰ লুকাই থাকে। শব্দৰ মায়াজালেৰে সিবোৰক এনেদৰে আৱৰি ৰখা হয় যে সেইবোৰ অনুধাৱন কৰিবলৈ স্থিতপ্ৰজ্ঞ হোৱাৰ নিতান্তই আৱশ্যক। উদাহৰণ স্বৰূপে, আমি তেওঁৰ 'জীৱন আৰু কলা' নামৰ গল্পটোলৈ আঙুলিয়াব পাৰো। গল্পটোৰ মাজেৰে শিল্পচৰ্চাৰ এক নতুন অৰ্থ বিচাৰিবলৈ যত্ন কৰা হৈছে য'ত সুন্দৰ শিল্পকৰ্মত মাজত দুটা ভিন্ন দৃষ্টি পৰিদৃশ্য হৈছে। এগৰাকী শিল্পীৰ হাতৰ পৰশত জিলিকি থকা পেইণ্টিঙৰ মাজত এজন সমালোচকে স্বৰ্গীয় সুখানুভূতিৰ সন্ধানত বিলীন হোৱাৰ বিপৰীতে আৰক্ষী বিষয়াই একেখন পেইণ্টিঙত অপৰাধৰ সন্ধানত তন্নতন্নকৈ সূক্ষ্ম পৰ্যবেক্ষণহে কৰিছে। গল্পৰ পৰম্পৰাগত

শৈলীৰ পৰা একেবাৰে আঁতৰি আহি ৰচনা কৰা ডেকাদেৱৰ প্ৰতিটো গল্পতে পৰিপক্ক খনিকৰৰ পৰশ বিদ্যমান। বাস্তৱ সমাজ, আধুনিক সভ্যতাৰ চিন্তাধাৰাক প্ৰতিটো সময়তে গভীৰভাৱে বিচাৰ-বিশ্লেষণ কৰি অতি পৰিশীলিত ৰূপত পাঠকৰ হাতত অৰ্পণ কৰিছে।

১৪.৪ 'শ্ব'ৰেঙ্গাৰ'

সাম্প্ৰতিক যুগত বিশিষ্ট গল্পকাৰ ডেকাৰ একেবাৰে শেহতীয়া গল্প হ'ল 'শ্ব'ৰেঙ্গাৰ'। তেওঁৰ আনবোৰ গল্পৰ দৰেই একেই সাৰ্থক এই 'শ্ব'ৰেঙ্গাৰ' গল্পটোৰ ৰচনাৰ পটভূমি 2059 চন। ডেকাৰ প্ৰতিটো গল্পতে থকা অভিজ্ঞতাৰ পূৰ্ণ চাপ এই সফল গল্পটো বিদ্যমান হৈছে। লোকসভা নিৰ্বাচনৰ সময়ত ক্ষুব্ধ সাংবাদিক ৰোষৰ বলি হোৱা ৰাজনৈতিক নেতা আৰু তেনে ৰোষক ৰাজনীতিৰ অংশবিশেষ কৰি তোলা ঘটনা এটাৰ আলম লৈ কাহিনীৰ অৱতাৰণা হৈছে আৰু সেই কাৰ্যত উদ্ভৱ হোৱা এটা শব্দৰ ওপৰত বিভিন্ন ধৰণৰ গৱেষণা হৈছে। শব্দৰ অভিধান প্ৰণয়নৰ সাংবিধানিক কাৰ্যপদ্ধতিৰ লগত সংগত বহু গুৰুত্বপূৰ্ণ কথাক অনুসংগ হিচাপে গল্পৰ ভিতৰুৱাও কৰা হৈছে। ক্ষুব্ধ লোকে ৰাজনৈতিক নেতা বা বক্তালৈ দলিওৱা জোতা-চেণ্ডেলৰ কাৰ্যটোও এটা ডাঙৰ ৰাজনীতিৰ উৎস হ'ব পাৰে আৰু সেই কাৰ্যক কি ধৰণে ব্যৱহাৰ কৰাটোত বহু ধৰণৰ কাৰ্যৰ কৌশলাত্মক পৰীক্ষাৰ ফলাফলৰ সংযুক্তিও হ'ব পাৰে। অতি-সাম্প্ৰতিক ঘটনাক গভীৰভাৱে বিশ্লেষণ কৰি ঘটনাৰ মাজেৰে বহুবোৰ দিশ পাঠকক দৃষ্টিদৰ্শন কৰোৱাইছে।

১৪.৪.১ গল্পটোৰ কাহিনীভাগ

আজিৰ পৰা অৰ্ধশতিকাৰ দূৰলৈ গৈ অৰ্থাৎ 2059 চনৰ ঘটনাক কাহিনীৰ পটভূমি হিচাপে লৈ 'শ্ব'ৰেঙ্গাৰ' গল্পৰ কাহিনীভাগ গঠন হৈছে। লোকসভা নিৰ্বাচনৰ সময়ত হঠাতে ৰাজনৈতিক দলৰ সভাবোৰত ক্ষুব্ধ লোকে জনপ্ৰতিনিধিলৈ লক্ষ্য কৰি জোতা-চেণ্ডেল দলিওৱাৰ ঘটনা ঘটিছিল। গল্পটোৰ পৰিৱেশত shoe অৰ্থাৎ জোতা দলিওৱা খণ্ডাল কাৰ্যটোৰ পৰাই গল্পটোৰ সাৰভাগ লোৱা হৈছে। শ্ব ÙÂ এঙ্গাৰ শব্দৰ সংযুক্ত পদটো হৈ পৰিছে এখন আধুনিক ভাষাৰ অভিধান প্ৰণয়ন কৰা পণ্ডিত, গৱেষক আৰু ভাষাবিদৰ আলোচনাৰ কেন্দ্ৰবিন্দু। যিহেতু গল্পটোৰ পটভূমি কেইবা দশক দূৰত গৈ ৰচিত হোৱা, গতিকে গল্পৰ নায়কে জোতা দলিওৱা-দলি কাৰ্যক কটাক্ষ কৰাটো অকৃত্ৰিম হৈ উঠে। তেওঁলোকৰ আটাইকেইগৰাকীৰ আলোচনাৰ মাজলৈ ক্ষুব্ধ সাংবাদিকে ৰাজনৈতিক নেতালৈ জোতা দলিওৱা কাৰ্যটো আৰু তেওঁলোক এজনে সেই কাহিনী নিজৰ অগ্ৰজৰ পৰা শুনিছে আৰু এগৰাকীয়ে আধুনিক প্ৰযুক্তিৰ যোগেদি সংগ্ৰহ কৰিছে; মুঠতে সুদূৰ এটা গালাপাগোচ নামৰ দ্বীপত চলা এক ধৰণৰ জাতীয় উৎসৱৰ লগত আমাৰ দেশৰ নিৰ্বাচনী উৎসৱৰ মাজত সহজতে যোগসূত্ৰ স্থাপন কৰিব পাৰিছে।

অভিধানত শব্দ এটাৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত বিভিন্ন যুক্তিযুক্ত আলোচনাৰ সমাৱেশ ঘটিছে। অভিধান প্ৰণয়নৰ লগত জড়িত গৱেষকসকলে বিবেচনাৰ অন্তত বহু

মতামত প্ৰকাশ কৰাও দেখা গৈছে। মুখ্য সম্পাদকজন যথেষ্ট জ্ঞানী যদিও ব্যৱহাৰিক দিশত প্ৰত্যক্ষ মতামতৰ পৰা তেওঁ বিৰত থাকে। তথাপি গল্পটোৰ সক্ৰিয় চৰিত্ৰ গৱেষককেইজনে জোতা কোম্পানীৰ অৰ্থনৈতিক মন্দাৱস্থা আৰু তাৰ পৰা পৰিত্ৰাণৰ বাবে কৰা কৌশল আদিৰ অনুসন্ধান অতি পৰীক্ষামূলকভাৱে কৰিহে মন্তব্য আগবঢ়াইছে। আৰ্থিক দিশত কোঙা হোৱা কোম্পানীয়ে কৌশলেৰে জোতা দলিওৱা খেলা কৰি নিজৰ উৎপাদন বঢ়াই তুলি টনকিয়াল স্থিতিলৈ উত্তৰণ ঘটিছে। আমাৰ তথাকথিত সমাজ জীৱনত ব্যৱহৃত শব্দবোৰক কেন্দ্ৰ কৰিয়েই বহু গুৰুত্বপূৰ্ণ দিশ গল্পকাৰে পাঠকৰ আগত অৱগত কৰাইছে। গল্পটোৰ অধ্যয়নত বহুবোৰ লঘু-গুৰু চিন্তাৰ খোৰাক নিহিত হৈ আছে। এটা শব্দৰ যোগেদি সামাজিক, ৰাজনৈতিক তথা অৰ্থনৈতিক দিশৰ অৱক্ষয়িত দিশৰ সম্ভেদ প্ৰমাদ কৰা বুলি ভুল কোৱা হয়তো নহ'ব।

১৪.৪.২ গল্পটোৰ চৰিত্ৰসমূহ

চৰিত্ৰৰ অবিহনে এটা গল্পৰ কাহিনীবস্তুৱে গতি কৰিব নোৱাৰে। গল্পৰ আন আন উপাদানবোৰৰ দৰেই সেয়ে চৰিত্ৰটো গুৰুত্ব প্ৰদান কৰা হয়। ডেকাৰ বহুচৰ্চিত 'শ্ব'ৰেঙ্গাৰ' গল্পটোতো কেইবাটাও চৰিত্ৰৰ সমাৱেশ ঘটিছে। যদিও গল্পটোৰ কাহিনী গতানুগতিক নহয় তথাপি কাহিনীবস্তু উপস্থাপনত চৰিত্ৰৰ ভূমিকা উল্লেখনীয়। প্ৰথম পুৰুষত ৰচিত গল্পটোত বক্তাজনো এটা অতি গুৰুত্বপূৰ্ণ চৰিত্ৰ হিচাপে ধৰা দিয়ে। গল্পটোৰ আটাইবোৰ চৰিত্ৰই পুৰুষ চৰিত্ৰ। এখন অভিধান প্ৰণয়নৰ সময়ত শব্দৰ অন্তৰ্ভুক্তিক লৈ হোৱা ঘটনাক দেখুৱাবলৈ যাওঁতে কেইবাটাও চৰিত্ৰ সাঙোৰ খাই পৰিছে। এজন হৈছে বহু ভাষাবিদ আৰু পণ্ডিত ৰবিশেখৰ, গল্পটোৰ বক্তাজন নিজেই, কৃষ্ণ নামৰ এজন কনিষ্ঠ গৱেষক, আৰু সেই কাৰ্যৰ লগত জড়িত আন কেইবাজনো গৱেষক চৰিত্ৰক গল্পটোত লগ পোৱা গৈছে। প্ৰতিটো চৰিত্ৰই সুকীয়া বৈশিষ্ট্য জিলিকি উঠিছে। প্ৰথম চৰিত্ৰটো বক্তাজনে নিজেই; তেওঁ অতি নমনীয় যদিও একেবাৰে লেতু-সেতু ধৰণৰ নহয়। গল্প কথনৰ মাজত তেওঁৰ বয়স নিৰ্ধাৰণ কৰিব পৰা নাযায় তথাপি চৰিত্ৰৰ ভাষ্যই প্ৰমাণ কৰে যে তেওঁ এজন ডেকা ল'ৰা। যেনে—

> "আমি তৰুণ গৱেষককেইজনে তেওঁৰ কথাৰ যুক্তিযুক্ততা নেদেখিলেও কনিষ্ঠ হোৱাৰ কাৰণেই বেছি মাত মাতিব নোৱাৰো।"

গল্পকাৰৰ সুদক্ষ হাতৰ পৰশত মূল বক্তাৰ চৰিত্ৰটোৱে অধিক আকৰ্ষণীয় ৰূপ লাভ কৰিছে। অনুসন্ধিৎসু মনৰ অধিকাৰী বক্তাই সকলো কথাই যুক্তিৰে বিচাৰ কৰিহে সন্তুষ্টি লাভ কৰে। বিশেষকৈ অভিধানত এটা বিতৰ্কিত শব্দৰ অন্তৰ্ভুক্তিৰ ক্ষেত্ৰত তেওঁ পালন কৰা ভূমিকাবোৰেই তেওঁৰ স্বকীয়তাৰ মূল বিন্দু। গভীৰ সমাজ সচেতন তথা সমসাময়িক সমাজৰ লগত থকা ঘনিষ্ঠতাই, যিয়েই নহওক কিয় আনবোৰ চৰিত্ৰৰ তুলনাত গৱেষক হিচাপে দক্ষতা অলপ হ'লেও প্ৰশংসনীয় ৰূপত বিকশিত হৈছে।

গল্পটোৰ প্ৰতিটো চৰিত্ৰই তীক্ষ্ণ বুদ্ধিমত্তাৰ অধিকাৰী আৰু সমাজৰ একেবাৰে উচ্চ শিক্ষিতৰ একপ্ৰকাৰৰ প্ৰতিনিধি স্বৰূপ। গল্পটোৰ আন এটা চৰিত্ৰ হিচপে ভাষাৰ পণ্ডিত ৰবিশেখৰ নামৰ চৰিত্ৰ এটাৰ অৱতাৰণা কৰা হৈছে। গধুৰ দায়িত্ব এটা নিষ্ঠাৰে পালন কৰিব পৰা দক্ষতাৰ অধিকাৰী ৰবিশেখৰ। সেয়েহে এটা জাতিৰ মূল ভেটি ভাষাৰ অভিধান সংশোধনৰ মুখ্য সম্পাদক হিচাপে তেওঁক নিযুক্ত কৰা হৈছে। শব্দ অন্তৰ্ভুক্তিত কোনো ধৰণৰ গাফিলতি কৰিব নোখোজা চৰিত্ৰটোৱে প্ৰতিটো শব্দৰ ক্ষেত্ৰত যুক্তিৰে বিবেচনা কৰিবৰ বাবে তেওঁৰ অধীনৰ গৱেষকসকলক আহ্বান জনাইছে। ইয়াত চৰিত্ৰটো কম-বেছি পৰিমাণে পৰম্পৰাবাদী চিন্তাৰ অধিকাৰী বুলিবও পৰা যায়। নিজৰ ভাষাৰ গৰিমাৰ প্ৰতি থকা পাণ্ডিত্যৰ অধিকাৰী চৰিত্ৰটোৱে শব্দজ্ঞানৰ অভাৱী সমাজৰ একাংশক পুতৌৰ দৃষ্টিৰে চোৱাও মন কৰিবলগীয়া দিশ। ৰবিশঙ্কৰ চৰিত্ৰৰ প্ৰসংগত গল্পটোৰ মূল বক্তাজনে কোৱা এযাৰ কথা প্ৰণিধানযোগ্য—

> "কিন্তু আমি সন্দেহ কৰো যে পণ্ডিত ৰবিশঙ্কৰ ভাষাৰ ক্ষেত্ৰত উদাৰপন্থী হ'লেও চৰকাৰৰ ৰাজনৈতিক নিৰ্দেশনাক মুকলিভাৱে উলাই কৰিব পৰা মানুহ নহয়।"

কিছু কিছু দিশত চৰিত্ৰটোৰ দুৰ্বল স্থিতি ধৰা পৰিলেও সি যে সময়ৰ আহ্বান তাক উপেক্ষা কৰিব পৰা ধৰণৰ নহয়।

গল্পটোৰ আন এটা গুৰুত্বপূৰ্ণ চৰিত্ৰ হ'ল কৃষ্ণ। যি অভিধান সংশোধনী কাৰ্যৰ লগত জড়িত আন এগৰাকী কনিষ্ঠ গৱেষক। গল্পটো চৰিত্ৰটিৰ উপস্থিতিয়ে বহু কথাৰ মুকলিকৰণত সহায়ক হৈছে। এগৰাকী দুৰন্ত তৰুণ ডেকা যেন লগা কৃষ্ণ একপ্ৰকাৰৰ যুক্তিবাদী ৰূপত সবলভাৱে গল্পটোৰ প্ৰথম অংশতে দেখা দিয়াটো অত্যন্ত গুৰুত্বপূৰ্ণ। যি শব্দৰ অভিধানিক মৰ্যাদা প্ৰদান বা অভিধানৰ অন্তৰ্ভুক্তি লৈ গল্পটিৰ কাহিনী নিৰ্মাণ হৈছে তাত এনে ধৰণৰ চৰিত্ৰৰ সমাৱেশে কাহিনীৰ গতি অধিক স্পষ্টতাৰ দিশলৈ লৈ যায়। যেনে—

> "আমাৰ কনিষ্ঠ গৱেষকসকলৰ এজন কৃষ্ণই অৱশ্যে এটা যুক্তি দিছে, গাহৰিৰ গাৰ পৰাও তাৰ উৎকট গোন্ধ নাযায়। শব্দৰ অৱস্থাও তেনেকুৱাই। এসময়ত আচহুৱা, অদ্ভুত যেন লগা শব্দ পিছলৈ তেনেই গ্ৰহণীয় হৈ পৰে।"

আধুনিক শিক্ষাৰে শিক্ষিত আৰু সাম্প্ৰতিক সমাজৰ লগত কিছু পৰিমাণে ঘনিষ্ঠতা চৰিত্ৰটোৰ আছে যেন অনুমান কৰিব পাৰি। বৰ্তমানৰ প্ৰেক্ষাপট বিচাৰ কৰিলে দেখা পোৱা গভীৰ সমস্যাজৰ্জৰ বিষয়টি চৰিত্ৰটিৰ মুখেদি সুন্দৰ ৰূপত উপস্থাপন হৈছে। কাৰ্যক্ষেত্ৰত দক্ষ আৰু সক্ৰিয় ৰূপত চৰিত্ৰটি সংযোজন হৈছে। আৰম্ভণিৰ পৰা কাহিনীৰ শেষ ভাগলৈ কৃষ্ণ চৰিত্ৰই গভীৰ কৰ্মপটু হিচাপেই আগবাঢ়িছে। গতিকে এই চৰিত্ৰটোৰ গুৰুত্ব গল্পটোত যথেষ্ট আছে বুলিলে ভুল কৰা নহ'ব।

এই তিনিওটা চৰিত্ৰৰ বাহিৰেও গল্পটিত নিত্যৰত্ন, অচ্যুতানন্দ আৰু ধীৰভদ্ৰ আদিকৈ তিনিটা আন চৰিত্ৰৰ ভূমিকাও মন কৰিবলগীয়া। অভিধান সংশোধনী প্ৰক্ৰিয়াৰ

লগত জড়িত হিচাপেই এই তিনিওটা চৰিত্রক গল্পৰ মাজলৈ টানি অনা হৈছে। এই তিনিওটা চৰিত্রৰ গাত বাস্তৱৰ প্রলেপ মন কৰিবলগীয়া ধৰণৰ। নিত্যৰত্ন চৰিত্রটো নিজ কর্মৰ প্রতি নিষ্ঠাৱান নোহোৱাৰ লগতে কিছু কিছু দিশত দক্ষতাৰ অভাৱো থকা বুলি স্পষ্টভাৱে উল্লেখ কৰাও হৈছে। তথাপি ভাষাৰ দিশত সম্পূর্ণ মাত্রাত অভিজ্ঞ নোহোৱাকৈয়ে নিজৰ সীমিত অধ্যয়নৰ জৰিয়তে মতামত ব্যক্ত কৰিবলৈও কুণ্ঠাবোধ নকৰা স্বভাৱটো অতি আশ্চর্যকৰ। গল্পটিত চৰিত্রটোৰ স্থিতি টনকিয়াল বুলিব নোৱাৰি। গল্পটো চৰিত্রটিৰ পাতলীয়া আচৰণ বাবে কোনো কোনো সময়ত মর্যাদাও লাঘৱ হোৱা যেন লাগে। গৱেষক হিচাপে অচ্যুতানন্দৰ চৰিত্রটো অতি গুৰুত্বপূর্ণ। কর্তব্যপৰায়ণ মনোভাৱ আৰু নিষ্ঠাৱান স্বভাৱৰ বাবেই চৰিত্রটো গল্পটো শেষৰভাৱে আত্মপ্রকাশ কৰিলেও নিজৰ স্থিতি স্পষ্ট কৰিবলৈ সক্ষম হৈছে; ঠিক একেদৰে ধীৰভদ্র চৰিত্রৰ সমাৱেশে গল্পটো পৰিৱেশ আৰু অধিক গহীন কৰি তুলিছে। গহীন-গম্ভীৰ স্বভাৱৰ ধীৰভদ্র বাক্যত অধিক মিতব্যয়ী, সেয়ে তেওঁৰ শব্দৰ ওজনো বেছি বুলি গল্পটিত উল্লেখ কৰিছে। প্রকৃত গৱেষক এগৰাকীৰ থাকিবলগীয়া প্রায়বোৰ গুণৰ সমাৱেশ ধীৰভদ্র চৰিত্রত বিদ্যমান।নীৰৱ শ্রোতা হিচাপে থাকি অনুশীলন আৰু প্রযুক্তিৰ ব্যৱহাৰত বিশ্বাসী চৰিত্রটোৰ অঙ্কনে গল্পটোত আধুনিক চিন্তা আৰু কৌশল দুয়োটাকে সুন্দৰ তথা সার্থকতাৰে উপস্থাপন কৰিছে।

১৪.৪.৩ গল্পটোৰ সাধাৰণ আলোচনা

সাম্প্রতিক সময়ৰ সমাজনীতি, অর্থনীতি তথা ৰাজনীতি আটাইবোৰ সামৰি লৈ গল্পটো ৰচনা কৰা হৈছে। সুদক্ষ গল্পকাৰজনে গল্পটোৰ কাহিনীভাগৰ সময় বর্তমান বুলি কোৱাৰ বিপৰীতে কৌশলপূর্ণভাৱে 2059 চনলৈ ঠেলি দিছে। গল্পটোৰ নামকৰণেও গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। 'শ্ব'ৰেঙ্গাৰ' গল্পটোত এটা শব্দক কেন্দ্র কৰি বহুবোৰ ঘটনাৰ উল্লেখ কৰা হৈছে আৰু সেই বিতর্কিত শব্দটোৱেই হৈছে 'শ্ব'ৰেঙ্গাৰ'। এটা দশকৰ বিৰতিৰ পিছতে ভাষাৰ অভিধান সংশোধনী কৰা হয়; অর্থাৎ দশক এটা পাৰ হোৱাৰ লগে লগে বহু শব্দৰ উৎপত্তি হয়। পাবত গজা ধৰণৰ শব্দবোৰেও কেতিয়াবা কালৰ গতিত সুঁতি সলাই অভিধানমুখী হৈ পৰে। একশ্রেণীৰ বিজ্ঞ লোকৰ কঠোৰ শ্রমৰ অন্তত এটা শিল্পকর্মই পূর্ণতা লাভ কৰে যদিও সকলো শিল্পীয়ে তাৰ গৰিমা বুটলিব নোৱাৰে। সমাজৰ একেবাৰে বাস্তৱ সত্য পৰিশিলিত ৰূপত সুন্দৰকৈ অঙ্কন গল্পটিত কৰা হৈছে। 'শ্ব'ৰেঙ্গাৰ' শব্দটোৰ লগত ৰাজনৈতিক নেতালৈ জোতা দলিওৱা কার্য আৰু সেই কার্যই এটা দলক কিদৰে লাভৱান কৰে, ফলত সি এটা নির্বাচনী ৰণকৌশললৈ কিদৰে পৰিবর্তিত হয় আনহাতেদি একেটা শব্দৰ লগতে এটা জোতা কোম্পানীৰ অর্থনৈতিক উত্থান-পতনৰ এটা সুকীয়া ইতিহাস জড়িত হৈ থকা; একেদৰে অভিধান সংশোধনীৰ সময়ত একেটা শব্দৰে অন্তর্ভুক্তিক লৈ গৱেষক কেইবাগৰাকীৰ মাজত

নানান উৎসৰ সন্ধানী কুচ-কাৰাজ।

সূক্ষ্ম বুদ্ধিমত্তাৰে গল্পটো পর্যালোচনা কৰিলে সৰু-বৰ বহুবোৰ কথাই আহি ধৰা দিব। বাহিৰৰ পৰা সাধাৰণ যেন লগা উৎসৰ একোটাৰ উদ্ভৱৰ অন্তৰালত কিদৰে অর্থনৈতিক মুনাফাৰ অংক জড়িত হৈ থাকে সি সঁচাকৈয়ে আশ্চর্যকৰ। গল্পটিৰ গৱেষক চৰিত্রবোৰে বেলেগ বেলেগ দৃষ্টিভঙ্গী আৰু উৎসৰ পৰা সেই সত্যৰ উদ্‌ঘাটনৰ বাবে কৰা প্রয়াসৰ যোগেদি পাঠকক সেই কৃত্রিম খেলাবোৰৰ মাজলৈ লৈ গৈছে। ৰাজনৈতিক নেতা একোজনে দৰাচলতে নির্বাচনৰ সময়ত কিদৰে মানুহৰ ওচৰত প্রতিশ্রুতিবদ্ধ হৈ পৰে আৰু উন্নয়নৰ বিপৰীত মেৰুত অৱতৰণ কৰি কিছুমান অসংযত অনুভূতিক সশ্রদ্ধ প্রণিপাত কৰি নেতাগিৰি কৰি ফুৰে। সমাজ-সংস্কৃতিৰ জ্ঞানশূন্যসকলৰ ক্ষুদ্র স্বার্থৰ বাবে শোষিত হয় অমূলক জাতীয় উৎসৱৰ।

গল্পটিত উল্লিখিত ভাষাৰ অভিধানৰ সংশোধনীত শব্দৰ অন্তর্ভুক্তিৰ ক্ষেত্রত এই প্রক্রিয়াত জড়িত গৱেষকসকলে শব্দৰ আঁতি-গুৰি বিচাৰি যথেষ্ট কষ্ট কৰাটো লক্ষণীয়। লগতে ভাষাত কিদৰে নতুন নতুন শব্দই ঠাই অধিগ্রহণ কৰে সেয়াও মন কৰিবলগীয়া। আমি যি ভাষা-ভাষীৰ লোকেই নহওঁ কিয় আটায়েই ভাষা এটা ব্যৱহাৰ কৰোঁতে কিমান বেছি সাৱধানতা অৱলম্বন কৰিব লাগে; অন্যথা কোনো মূল নথকা বা এক প্রকাৰৰ অর্থহীন শব্দই ক্রমান্বয়ে ভাষা এটাৰ মধুৰতাত আঘাত কৰোঁতে বেছিদিন নালাগিব। গল্পটো দেখা পোৱা অসমীয়া ভাষাত কিদৰে কিমানবোৰ মিশ্র শব্দৰ আভিধানিকভাৱে বর্তমান ব্যৱহাৰ হ'বলৈ ধৰিছে; কিন্তু সিবোৰ শব্দৰ ভাল অসমীয়া শব্দও দৰাচলতে নথকা নহয়। মুখ বাগৰি বাগৰি কথিত ৰূপৰ পাছত তেনে বহু শব্দই লিখিত ৰূপত আগবাঢ়ি এটা সময়ত সসন্মানে নিজৰ স্থিতি গজগজীয়া কৰিছে। যেনে— চেকিউলাৰ, খট্‌কা, বাজাৰী, বৰ ছিৰিয়াছ, অব্‌ছেছ, ধাম-ধুম, তাৰিফ আৰু ৰাতাৰাতি ইত্যাদি অসংখ্য।

'শ্ব'ৰেঙ্গাৰ' গল্পৰ কাহিনী বস্তু একবিংশ শতিকাৰ ষাঠিৰ দশকৰ হিচাপে অঙ্কন কৰিছে। দশক যিয়েই নহওক ই একবিংশ শতিকাৰ এটা জীৱন্ত ইতিহাস ৰূপান্তৰ মাথোন। কার্য যিয়েই নহওক কিয় তাত ক্ষুদ্র স্বার্থৰ ৰূপায়ণ অংশবিশেষ। নৈতিকতাৰে কাম কৰাসকলেও নাম নাপায়, একেদৰে স্ব-স্বার্থৰ বাবে জাতি এটাৰ অস্তিত্বত আঘাত কৰিবলৈ একাংশই কুণ্ঠাবোধ নকৰে। মুঠতে সমসাময়িক সময়ত ঘটি থকা বহুবোৰ গুৰুত্বপূর্ণ দিশক এটা শব্দৰ দিশেৰেঅতি মনোৰম ৰূপত দাঙি ধৰি পাঠকৰ দৃষ্টি আকর্ষণ কৰিছে।

১৪.৪.৪ গল্পটোৰ বিশেষত্ব

হৰেকৃষ্ণ ডেকাৰ শিল্পকর্ম মানেই বিশেষত্বৰে পৰিপূর্ণ। আমাৰ আলোচ্য গল্পটোও তাৰ ব্যতিক্রম নহয়। কবি হিচাপে চিৰপৰিচিত এইগৰাকী গল্পকাৰৰ প্রথমতে

গল্পটিৰ নামকৰণ আৰু কাহিনীবস্তুৰ বিশেষত্ব মন কৰিবলগীয়া। গল্পটোৰ নামকৰণত ব্যৱহাৰ হৈছে এটা শব্দ; যি শব্দই বৰ্তমানলৈকে সমাজত স্থিতি লাভ কৰিবই পৰা নাই আৰু শব্দৰ প্ৰকৃত অৰ্থ তথা উৎসৰ কোনো নিৰ্দিষ্ট বিৱৰণো জনা নাই। অথচ তেনে এক শব্দই সম্পূৰ্ণ কাহিনীক গতি প্ৰদান কৰিছে। গল্পটোৰ কাহিনীভাগ কোনো সাধাৰণ সামাজিক গল্পৰ কাহিনী নহয়; বৰং সমাজৰ বহুবোৰ দিশৰ বাস্তৱ বৰ্ণনাৰ কেন্দ্ৰ। কাহিনীবস্তুৰ মাজেৰে ভাষা-সাহিত্য-সমাজৰ স্বৰূপ ব্যাখ্যা কৰাতেই গল্পকাৰ ক্ষান্ত নাথাকি ৰাজনৈতিক আৰু অৰ্থনৈতিক জগতৰ অন্তৰ্লীন হৈ থকা অথচ সাধাৰণ মানুহে উপলব্ধি কৰিব নোৱাৰা দিশবোৰো উন্মোচন কৰিছে।

গল্পটিত দেখা পোৱা চৰিত্ৰবোৰো বিশেষত্বপূৰ্ণ। সকলো মানুহৰে স্বভাৱৰ অমিল থকাটো এটা অতি স্বাভাৱিক। গল্পটিত চৰিত্ৰ হিচাপে এজন ভাষাৰ দিশত পাণ্ডিত্যপূৰ্ণ ব্যক্তিক দেখুওৱা হৈছে। যিজনৰ অধীনত আন কেইবাজনো ডেকা গৱেষকে এটা নিৰ্দিষ্ট বিষয়ত সহায়কাৰী হিচাপে নিষ্ঠাৰে কাম কৰিছে। প্ৰতিটো চৰিত্ৰৰে ব্যক্তিত্ব সুকীয়া। যদিও এই চৰিত্ৰবোৰ যেনেকুৱাই নহওক কিয় সি এক গুৰুত্বপূৰ্ণ নহয়; তথাপি তেওঁলোক যি কাৰ্যৰ লগত জড়িত সি এটা জাতিৰ মেৰুদণ্ড। সেয়ে তেওঁলোকৰ ব্যক্তিত্বই সমাজক প্ৰকাৰন্তৰে পৰিচালিত কৰাৰ দিশৰ লগত জড়িত। সেয়ে তেনে ব্যক্তি চিন্তা তথা বিচাৰ-বুদ্ধিৰ পৰিমাণ জনাটো অত্যন্ত আৱশ্যকীয়। গল্পটোত চৰিত্ৰবোৰৰ ভাষ্য তেনে দিশবোৰ স্পষ্ট কৰাত সহায় কৰিছে। এনে গভীৰ বিষয়বস্তুক একো একোটা গল্পৰ কাহিনী হিচাপে কেইটামান চৰিত্ৰৰ যোগেদি পাঠকক পৰিৱেশন কৰাটো কঠিন কাৰ্য। কিন্তু গল্পটি পঢ়ি থাকিলে এক সাধাৰণভাৱে অতি সূক্ষ্ম আৰু দক্ষতাৰে গল্পকাৰে এটা লয়ত আগবঢ়াই নিছে।

সাধাৰণভাৱে চালে সংঘাত নাই যেন লাগিলেও গল্পটিৰ ঠায়ে ঠায়ে ব্যক্তিত্বৰ সংঘাত অৱশ্যেই নথকা নহয়। কাহিনীবস্তুৰ ভিতৰুৱা নহ'লেও সিবোৰ আমাৰ সমাজৰ অংশবিশেষ হিচাপে দেখা দিছে। চিন্তাৰ এক শীতল সংঘাত গল্পটিৰ আৰম্ভণিৰ পৰা শেষলৈকে বিদ্যমান। এনেহেন সংঘাত ব্যক্ত কৰি গতি কৰোৱাত ডেকাৰ দৰে অভিজ্ঞ লোকৰ বাবেহে সম্ভৱপৰ হৈছে।

ৰাজনৈতিক ক্ষেত্ৰত সংঘটিত এটা সৰু ঘটনাৰ আলম লৈ সমাজৰ এখন তথ্যচিত্ৰ নিৰ্মাণ কৰাটো অতি কঠিন। শব্দৰ মিতব্যয়িতাৰে এটা চুটিগল্পৰ মাজেৰে ৰাজনৈতিক মেৰপেচ, অৰ্থনৈতিক উত্থান-পতন, সামাজিক আচাৰ-আচৰণ আদিক জুখি-মাখি দাঙি ধৰাটো সঁচাকৈয়ে বিচক্ষণতাৰ প্ৰতীক।



১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ যোগেদি আমি হৰেকৃষ্ণ ডেকাৰ জীৱন আৰু কৃতিৰ বিষয়ে জানিব পাৰিলোঁ।
- কবি হিচাপে জনসমাজত সমাদৃত হৰেকৃষ্ণ ডেকা যে এগৰাকী সুদক্ষ গল্পকাৰো সেই কথা জানিব পাৰিলোঁ।
- সাম্প্ৰতিক যুগৰ হৰেকৃষ্ণ ডেকা এজন শক্তিশালী গল্পকাৰ। তেওঁৰ ৰচনাত সমসাময়িক সমাজ জীৱনৰ বহু গুৰুত্বপূৰ্ণ দিশ ফুটি উঠিছে।
- হৰেকৃষ্ণ ডেকাৰ গল্পৰ বৈশিষ্ট্যৰ লগত পৰিচিত হ'লোঁ।
- গল্পটোৰ যোগেদি ভাষাৰ ব্যৱহাৰ সম্পৰ্কে নতুন চিন্তাৰ লগত পৰিচিত হ'লোঁ।
- ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ কৃত্ৰিম কৌশল কিদৰে সাধাৰণ সমাজত ৰূপায়ণ কৰে, তেনেবোৰ দিশৰ বিষয়েও জ্ঞাত হ'লোঁ।
- সাম্প্ৰতিক সময়ত সমাজখনে কোনবোৰ সমস্যাৰ লগত কেনেদৰে যুঁজি আছে সেই বিষয়েও জানিব পাৰিলোঁ।



১৪.৬ অধিক জানিবলৈ

1] দত্ত, উদয় (1995) ঃ *চুটিগল্প*, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

2] ৰৱপূজাৰী, মনোজ [2010] ঃ *হৰেকৃষ্ণ ডেকাৰ শ্ৰেষ্ঠ কাব্য আৰু গদ্য*, গুৱাহাটী ঃ নৱযুগ প্ৰকাশন।

3] বৰুৱা, প্ৰহ্লাদ কুমাৰ [2005] ঃ *অসমীয়া চুটিগল্পৰ অধ্যয়ন*, গুৱাহাটী ঃ বনলতা।



১৪.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১ নং প্ৰশ্নৰ উত্তৰ ঃ 1943 চনত, তিনিচুকীয়া চহৰত জন্ম... ...গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ. শিক্ষা গ্ৰহণ... ...ইংৰাজী বিষয়ত স্নাতক... ...গুৱাহাটী কমাৰ্চ কলেজ শিক্ষকতা... ...1968 চনত আৱক্ষী বিভাগত যোগদান... ...অসম আৱক্ষীৰ সঞ্চালক পদৰ পৰা 2005 চনত অৱসৰ লয়। 'The Sentinel' ইংৰাজী দৈনিক বাতৰিকাকতৰ সম্পাদক... ...'গৰীয়সী'ৰ সম্পাদক... ...*আন এজন* কবিতা পুথিৰ বাবে 'সাহিত্য অকাডেমী বঁটা'... ...*প্ৰাকৃতিক আৰু অন্যান্য* প্ৰথম প্ৰকাশিত গল্পপুথি।



১৪.৮ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ 'শ্ব'ৰেঙ্গাৰ' গল্পটোৰ মূল কথাখিনি নিজৰ ভাষাত লিখক।

প্ৰশ্ন ২ ঃ হৰেকৃষ্ণ ডেকাৰ গল্পৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ শ্ব'ৰেঙ্গাৰ গল্পৰ মুঠ চৰিত্ৰ কেইটা? প্ৰতিটোৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ সমসাময়িক সময়ত শ্ব'ৰেঙ্গাৰ গল্পটোৰ গুৰুত্ব মূল্যাংকন কৰক।

প্ৰশ্ন ৫ ঃ হৰেকৃষ্ণ ডেকাৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে এটা চমুটোকা লিখক।

প্ৰশ্ন ৬ ঃ সাম্প্ৰতিক সময়ৰ চিত্ৰপট গল্পটোত কিদৰে প্ৰকাশিত হৈছে বিচাৰ কৰক।

প্ৰশ্ন ৭ ঃ গল্পটোৰ যোগেদি কোনো এটা ভাষাত অভিধানৰ গুৰুত্ব কি? বিচাৰ কৰক।

*** ***** ***